**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি চত্তিশগড়ৰ ২৫ সংখ্যক ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজন কৰা অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাজ্যখনলৈ যাব।

২।	বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সম্পৰ্ক এটা জটিল ঐতিহাসিক সহযোগিতাৰ  পৰা বিকাশ ঘটি গতিশীল আৰু দূৰদৰ্শী অংশীদাৰিত্বলৈ পৰিণত হৈছে।

৩।	ভাৰতে সুস্থ নাৰী, সৱল পৰিয়াল অভিযানৰ অধীনত গীনিজ বুকত তিনিটাকৈ বিশ্ব অভিলেষ গঢ়িবলৈ সমৰ্থ হৈছে।

৪।	জামাইকাত হাৰিকেন মেলিছাৰ ফলত কমেও ১৯ জন লোকৰ মৃত্যু হৈছে।

*আৰু*

৫।	জাৰ্মানীৰ ছাৰব্ৰুকেনত অনুষ্ঠিত হাইলো অ'পেন ছুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ উন্নতী হুদাই মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি চত্তিশগড় ৰাজ্য হিচাপে প্ৰতিষ্ঠা হোৱা ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাজ্যখনলৈ যাব। শ্ৰী মোদীয়ে এই ভ্ৰমণকালত ১৪ হাজাৰ ২৬০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰথমে নৱ ৰায়পুৰ অটল নগৰত থকা শ্ৰীসত্য সাই সঞ্জীৱনী হাস্পতালত **গিফ্‌ট অফ লাইফ** কাৰ্যসূচীৰ অধীনত সফলভাৱে চিকিৎসা সম্পূৰ্ণ হোৱা জন্মগতভাৱে হৃদ ৰোগত আক্ৰান্ত প্ৰায় দুহেজাৰ ৫০০ শিশুৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ **শান্তি শিখৰ** শীৰ্ষক ব্ৰহ্মকুমাৰীৰ এটা আধুনিক আধ্যাত্মিক শিক্ষা, শান্তি আৰু ধ্যান কেন্দ্ৰ মুকলি কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে আজি নৱ ৰায়পুৰ অটল নগৰত চত্তিশগড় বিধানসভাৰ নৱ নিৰ্মিত ভৱনত ভাৰত ৰত্নৰে সন্মানিত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব।  তেওঁ লগতে এই নতুন বিধানসভা ভৱনটো উদ্বোধন কৰিব আৰু জনসাধাৰণক উদ্দেশি ভাষণ দিব। সেউজ ভৱন ধাৰণাৰে নিৰ্মাণ কৰা এই বিধানসভা ভৱন সৌৰ শক্তিৰ দ্বাৰা পৰিচালিত হোৱাৰ লগতে ইয়াত বৰষুণৰ পানী সংৰক্ষণ কৰিব পৰা ব্যৱস্থা আছে।

বিয়লিৰ ভাগত প্ৰধানমন্ত্ৰীয়ে ছহিদ বীৰ নাৰায়ণ সিং স্মাৰক আৰু জনজাতীয় স্বাধীনতা যুঁজাৰু সংগ্ৰহালয় মুকলি কৰিব। তেওঁ লগতে সংগ্ৰহালয় প'ৰ্টেল আৰু আদি সৌৰ্য্য নামৰ এখন ই-বুক তথা ঘোঁৰাৰ ওপৰত উঠি থকা ছহিদ বীৰ নাৰায়ণ সিঙৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। শ্ৰী মোদীয়ে ইয়াৰ পাছত ৰাজ্যখনৰ প্ৰতিষ্ঠাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা চত্তিশগড় ৰজত মহোৎসৱত ভাগ ল'ব। এই অনুষ্ঠানতে তেওঁ ৰাজ্যখনৰ পথ, উদ্যোগ, স্বাস্থ্য সেৱা আৰু শক্তিখণ্ডক সামৰি বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। গ্ৰাম্যাঞ্চলৰ জীৱন

স্বচচল কৰি তোলাৰ লক্ষ্যৰে শ্ৰী মোদীয়ে ৯ খন জিলাত ১২ টা নতুন ষ্টাৰ্ট আপ গাঁও উদ্যমী কাৰ্যসূচী মুকলি কৰিব। তেওঁ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত সম্পূৰ্ণ কৰি উলিওৱা তিনি লাখ ৫১ হাজাৰ ঘৰৰ গৃহপ্ৰৱেশ অনুষ্ঠানটো অংশগ্ৰহণ কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সম্পৰ্ক এটা জটিল ঐতিহাসিক সহযোগিতাৰ পৰা বিকাশ ঘটি গতিশীল আৰু দূৰদৰ্শী অংশীদাৰিত্বলৈ পৰিণত হৈছে। নতুন দিল্লীত কালি ব্ৰিটেইনৰ ৰাষ্ট্ৰীয় দিৱস উদযাপনৰ সময়ত ড০ জয়শংকৰে কয়, যে দুয়োখন ৰাষ্ট্ৰই কেৱল প্ৰযুক্তি সুৰক্ষা পদক্ষেপৰ অধীনত সহযোগিতা বৃদ্ধি কৰাই নহয়, বৰং যোগাযোগ, কৃত্ৰিম বুদ্ধিমত্তা আৰু গুৰুত্বপূৰ্ণ খনিজৰ ক্ষেত্ৰতো সহযোগিতা সুদৃঢ় কৰিছে। তেওঁ উল্লেখ কৰে যে, ব্ৰিটেইনৰ ৯ খন আগশাৰীৰ বিশ্ববিদ্যালয়ক ভাৰতত ইয়াৰ চৌহদ স্থাপনৰ বাবে অনুমোদন জনোৱা হৈছে। গুৰুগ্ৰামত ইতিমধ্যে চাউথাম্পটন বিশ্ববিদ্যালয়ৰ চৌহদ স্থাপন কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এয়া হৈছে ব্ৰিটেইনত থকা ১৯ লাখ প্ৰবাসী ভাৰতীয়ৰ অৰিহণাক স্বীকৃতি দিয়াৰ এটা অৱকাশ। ড০ জয়শংকৰে দুয়োখন দেশৰ মাজত বিশেষ সম্পৰ্ক সৃষ্টিত তেওঁলোকক এখন জীৱন্ত দলং স্বৰূপ বুলি অভিহিত কৰে।

০০০০০

ভাৰতে সুস্থ নাৰী, সবল পৰিয়াল অভিযানৰ অধীনত তিনিটাকৈ গীনিজ বুকত বিশ্ব অভিলেষ গঢ়িবলৈ সমৰ্থ হৈছে। ১৭ ছেপ্তেম্বৰৰ পৰা দুই অক্টোবৰলৈ অনুষ্ঠিত এই কাৰ্যসূচীত যথেষ্ট সংখ্যক লোকে অংশগ্ৰহণ কৰে। এই পদক্ষেপৰ অধীনত কেৱল এমাহত এটা স্বাস্থ্য সেৱা প্লেটফৰ্মত সৰ্বাধিক সংখ্যক লোকে পঞ্জীয়ন কৰাৰ অভিলেষ গঢ়ে। তদুপৰি এসপ্তাহত স্তনৰ কৰ্কট ৰোগৰ অনলাইন পৰীক্ষাত সৰ্বাধিক সংখ্যক লোকে স্বাক্ষৰ কৰাৰ অভিলেষ গঢ়ে। উল্লেখযোগ্য যে, এই অভিযানৰ অধীনত ৯ লাখ ৯৪ হাজাৰৰো অধিক মহিলাই অনলাইন পৰীক্ষাৰ বাবে স্বাক্ষৰ কৰে। তদুপৰি ৰাজ্যিক পৰ্যায়ত এক লাখ ২৫ হাজাৰ লোকে এসপ্তাহত উচ্চ ৰক্তচাপ, দেহৰ উত্তাপকে ধৰি শৰীৰৰ প্ৰয়োজনীয় মাপকাঠীৰ অনলাইন পৰীক্ষাৰ বাবে স্বাক্ষৰ কৰাৰ ক্ষেত্ৰতো অভিলেষ গঢ়ে। স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই অভিযানত কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠান, চিকিৎসা মহাবিদ্যালয় আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ উপৰি ২০ টা মন্ত্ৰালয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। অভিযানত পাঁচ লাখৰো অধিক পঞ্চায়ত প্ৰতিনিধি, বিদ্যালয় আৰু মহাবিদ্যালয়ৰ এক কোটি ১৪ লাখ ছাত্ৰ-ছাত্ৰী, আত্মসহায়ক গোটৰ ৯৪ লাখ সদস্য আৰু পাঁচ লাখ অন্যান্য সদস্যই অংশগ্ৰহণ কৰিছে। স্বাস্থ্যৱতী মহিলা, সবল পৰিয়াল আৰু বিকশিত ভাৰত নিৰ্মাণত দেশৰ চৰকাৰী ব্যৱস্থা, ডিজিটেল স্বাস্থ্য উদ্ভাৱন আৰু সমুদায়ৰ সমূহীয়া প্ৰচেষ্টাৰ উদাহৰণ হিচাপে এই সাফল্য বিবেচিত হৈছে।

০০০০০

জামাইকাত মেলিছা নামৰ ঘূৰ্ণীবতাহৰ ফলত কমেও ১৯ জন লোকৰ মৃত্যু হৈছে। জামাইকাৰ তথ্য মন্ত্ৰী ডানা মৰিছ ডিকছনে জনোৱা মতে ঘূৰ্ণীবতাহত বেয়াকৈ ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ অভিযান অব্যাহত আছে। বহু অঞ্চল সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰাৰ লগতে অধিক সংখ্যক দ্বীপতে বিদ্যুৎ কৰ্তন হৈছে। জনসাধাৰণে বান আৰু বোকাৰ পৰা তেওঁলোকৰ ঘৰসমূহ বচোৱাৰ বাবে চেষ্টা কৰা বুলিও তেওঁ জানিবলৈ দিয়ে। তদুপৰি হাজাৰ হাজাৰ লোকে সাহায্যৰ অপেক্ষাত আছে। দেশখনৰ অধিকাংশ অঞ্চলত খোৱাপানীৰ সমস্যা হোৱাৰ উপৰি খাদ্য সামগ্ৰীও নাটনি হৈ আহিছে বুলিও তেওঁ কয়। জামাইকাৰ ৰাজধানী কিংস্তোনৰ মূল বন্দৰৰ পৰা সঘনে সাহায্য সামগ্ৰী প্ৰেৰণ কৰি থকা হৈছে। এই ঘূৰ্ণীবতাহৰ ফলত হাইটিত কমেও ৩০ জন লোকৰ মৃত্যু হোৱা বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছ।

00000

ভাৰতীয় একক চিনাক্তকৰণ কৰ্তৃপক্ষই এ আই, ব্লকচেইন, কোৱাণ্টাম কম্পিউটিং আৰু উন্নত এনক্রিপচনৰ জৰিয়তে ভৱিষ্যতৰ ডিজিটেল পৰিচয় শক্তিশালী কৰাৰ আধাৰ ভিজন ২০৩২ ৰ কাঠামো উন্মোচন কৰে। ইলেক্ট্রনিকছ আৰু আই টি মন্ত্রালয়ে কালি উল্লেখ কৰে যে এই কাঠামোটোৱে ভাৰতৰ ডিজিটেল পৰিচয় পৰিৱেশ তন্ত্ৰক পুনৰ সংজ্ঞাৱদ্ধ কৰাৰ লগতে অহা দশকৰ বাবে পৰৱৰ্তী প্ৰজন্মৰ ডিজিটেল শাসন ব্যৱস্থা ত্বৰান্বিত কৰাৰ উদ্দেশ্যেও এক বিস্তৃত ৰূপৰেখা প্ৰদান কৰিব। এই ৰূপৰেখা প্ৰযুক্তি ক্ষেত্ৰৰ বিষেষজ্ঞৰ দ্বাৰা নিৰ্দেশিত হ'ব আৰু ই ডিজিটেল পাৰ্চনেল ডাটা প্ৰটেকচন এক্ট আৰু বিশ্বব্যাপী চাইবাৰ ছিকিউৰিটি ষ্টেণ্ডাৰ্ডৰ সৈতে আধাৰক অনুকূল কৰি তুলিব। মন্ত্রালয়ে আৰু কয় যে এই ৰূপৰেখাই প্ৰযুক্তিগত নেতৃত্ব বজাই ৰখাৰ লগতে নিৰাপদ, সৰ্বাংগীন আৰু জনকেন্দ্ৰিক ডিজিটেল পৰিচয় হিচাপে আধাৰৰভূমিকাক শক্তিশালী কৰিব।

00000

চাৰিবছৰৰ মূৰত জম্মু-কাশ্বমীৰৰ ছমহীয়া ঐতিহাসিক দৰবাৰ মুভ প্ৰথা পুনৰ মুকলি কৰা হৈছে। শ্ৰীনগৰস্থিত চৰকাৰী কাৰ্য্যালয়সমূহ এই সময়ছোৱাত বন্ধ থাকিব। সমূহ কায্যালয় পুনৰ সোমবাৰৰ পৰা খোলা থাকিব। জম্মু-কাশ্মীৰৰ পথ পৰিবহন সংস্থাই আজি আৰু কাইলৈ কৰ্মচাৰীসকলৰ পৰিবহনৰ দায়িত্বত থাকিব। এই দৰবাৰ মুভ প্ৰথাৰ বাবে ৩৯টা চৰকাৰী কায্যালয় সম্পূৰ্ণৰূপে স্থানান্তৰিত কৰা হ'ব। ৪৭ টা কায্যালয় সীমিত পৰিসৰত স্থানান্তৰ হ'ব। উল্লেখযোগ্য যে ডোগ্ৰা মহাৰাজে আৰম্ভ কৰা এই দৰবাৰ মুভ প্ৰথা ১৪৭ বছৰ পুৰণি পৰম্পৰা। কৌশলগত আৰু জলবায়ুজনিত কাৰকৰ বাবে প্ৰতি ছমাহৰ মূৰে মূৰে জম্মু-কাশ্মীৰৰ চৰকাৰী কায্যালয়সমূহ স্থানান্তৰ কৰা হয়।

00000

জাৰ্মানীৰ ছাৰব্ৰুকেনত অনুষ্ঠিত হাইলো অ'পেন ছুপাৰ ফাইভ হাড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ উন্নতী হুদাই মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। উন্নতীয়ে কোৱাৰ্টাৰ ফাইনেলত চীনা টাইপেইৰ লীন ছিয়াং টাইক ২২-২০, ২১-১৩ ছেটত পৰাস্ত কৰে। খেলুৱৈ গৰাকীয়ে ফাইনেলত ইণ্ডোনেছিয়াৰ পুত্ৰী কুসুমা ৱাৰ্ডানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাখনত এই পৰ্যায়লৈকে খেলা উন্নতী হৈছে একমাত্ৰ ভাৰতীয় খেলুৱৈ। প্ৰতিযোগিতাখনৰ পুৰুষৰ ছিংগলছত কালি লক্ষ্যসেন, আয়ুষ ছেট্টী আৰু কিৰণ জৰ্জ কোৱাৰ্টাৰ ফাইনেলৰ পৰা বিদায় লয়।

00000

সমাপ্ত